(ক) বাক্যত ব্যৱহৃত শব্দৰ ক্ৰম (Sequence of words)

(খ) শব্দবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক (Agreement of words)।

সকলো ভাষাৰে বাক্যৰচনা কৰোঁতে পদসমূহৰ নিৰ্বাচনত কিছুমান নিয়ম মানি চলা হয়। প্ৰাচীন ভাৰতীয় আলংকাৰিকসকলে পদৰ নিৰ্বাচনৰ নিয়ম সম্পৰ্কে অলংকাৰ শাস্ত্ৰ 'সাহিত্য দৰ্পণ'ত এনেদৰে উল্লেখ কৰিছে — "বাক্যংস্যাদ যোগ্যতাকাংক্ষাসক্তিযুক্তঃ পদোচ্চয়ঃ" অৰ্থাৎ যোগ্যতা, আকাংক্ষা আৰু আসক্তিযুক্ত পদৰ সমষ্টিয়েই হৈছে বাক্য। 'সাহিত্য দৰ্পণ'ৰ এই কথাষাৰ পাছত ভাষা চিন্তাকাৰী-সকলেও মানি লৈছে। আনহাতে ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নতো আধুনিক ভাষাবিজ্ঞানীসকলে এই তিনিওটা বিষয়ত গুৰুত্ব আৰোপ কৰি আহিছে। যেনে —

(ক) যোগ্যতা (Propriety)

(খ) আকাংক্ষা (Expectory)

(গ) আসক্তি (Proximity)

**(ক) যোগ্যতা (Propriety) ঃ**

বাক্যত যি কোনো পদৰ লগত যি কোনো পদ লগ লগাব নোৱাৰি। পদৰ যোগ্যতা অনুসৰিহে বাক্যত পদসমূহ সংস্থাপন কৰা হয়। বাক্যত ব্যৱহাৰ কৰা পদসমূহৰ যোগ্যতাৰ ক্ষেত্ৰত সাধাৰণতে দুটা কথালৈ মন কৰা হয়। যেনে —

(১) অৰ্থগত যোগ্যতা।

(২) ৰূপগত যোগ্যতা।

**১। অৰ্থগত যোগ্যতা ঃ**

বাক্যত ব্যৱহৃত প্ৰত্যেকটো পদৰে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা থাকিব লাগিব। প্ৰত্যেক ভাষাতে বিশেষ্য পদ অনুসৰি পদসমূহৰ ৰূপ নিৰ্দিষ্ট। যেনে — গৰম অনুভৱ কৰোঁ, পানী পি খাওঁ, আঘাত হানে, মানুহক লগ ধৰে, সাদৰ সম্ভাষণ জনায়, পানী তপতায় আদি বাক্যসমূহত ব্যৱহৃত পদসমূহৰ অৰ্থৰ সংগতি স্থাপিত হৈছে আৰু বাক্যসমূহৰ ৰূপ শুদ্ধ হৈছে। কেতিয়াবা অমনোযোগিতা বা অন্ধ অনুকৰণৰ বাবে ভাষাত নানা অশুদ্ধ ৰূপ ব্যৱহাৰ কৰাও দেখিবলৈ পোৱা যায়। প্ৰত্যেক ভাষাৰে পদসমূহৰ প্ৰয়োগত এটা নিজা ঠাঁচ বা ৰীতি থাকে, এই ৰীতি ৰক্ষা হ'লেহে ভাষাৰ ৰূপ শুদ্ধ হয়। মন কৰিবলগীয়া কথা যে, বিশেষ অৰ্থবাচক পদৰ সংগতি হ'লেহে বাক্য ৰচনা শুদ্ধ হয়, যদি পদৰ সংগতি ভংগ হয় তেতিয়া অৰ্থ প্ৰকাশত খেলিমেলি হয় আৰু বাক্য ৰচনাও ভুল হয়।

**২। ৰূপগত যোগ্যতা ঃ**

বাক্যত ব্যৱহৃত পদবোৰৰ মাজত অৰ্থৰ সংগতি থকাৰ দৰে ব্যাকৰণগত

ৰূপসমূহৰ মাজতো সংগতি স্থাপন হ'ব লাগিব। বাক্য শুদ্ধ ৰূপত সজাবলৈ হ'লে বাক্যত ব্যৱহৃত শব্দবোৰৰ লগতে উপযুক্ত বিভক্তি, প্ৰত্যয় আদি যথানিয়মে সংযোগ কৰি পদ সৃষ্টি কৰিব লাগিব। আনহাতে, পদবোৰৰ মাজত ৰূপগত যোগ্যতা থাকিলেই নহ'ব, অৰ্থৰ যোগ্যতাও থাকিব লাগিব। কিছুমান বাক্য ব্যাকৰণৰ নিয়মৰ ফালৰপৰা শুদ্ধ যেন লাগিলেও বাক্য শুদ্ধ নহয়। তলৰ বাক্যকেইটা চোৱা যাওক—

(ক) গৰুবোৰ পথাৰত চৰি আছে।

(খ) চৰাইবোৰ আকাশত উৰি আছে।

(গ) চৰাইবোৰ আকাশত সাঁতুৰি আছে।

প্ৰথম দুটা বাক্য শুদ্ধ, কিন্তু 'চৰাইবোৰে আকাশত সাঁতুৰি আছে' এই বাক্যটো শুদ্ধ নহয়, কাৰণ হাঁহেহে পানীত সাঁতোৰে, চৰায়ে আকাশত উৰেহে। ওপৰৰ বাক্যকেইটাই অৰ্থ প্ৰকাশ কৰিছে যদিও প্ৰকৃততে কৰ্তাৰ কাৰ্য ক্ৰিয়াৰ লগত সংগতি ৰক্ষা কৰিবলৈ হ'লে কৰ্তাত প্ৰথমা বিভক্তি 'এ' প্ৰয়োগ কৰিব লাগে। বিভক্তি যোগত বাক্যকেইটাৰ ৰূপ এনেধৰণৰ হ'ব —

(ক) গৰুবোৰে পথাৰত চৰি আছে।

(খ) চৰাইবোৰে আকাশত উৰি আছে।

বাক্যৰ ৰূপগত যোগ্যতাই পদসাধন কৰে। যেনে —

(ক) মোৰ দেউতা আহিছে।

(খ) তোমাৰ দেউতাৰা আহিছে।

(গ) তোৰ দেউতাৰ আহিছে।

(ঘ) তাৰ দেউতাক আহিছে।

ওপৰৰ বাক্য চাৰিটাত দেউতা, দেউতাৰা, দেউতাৰ, দেউতাক এই পদকেইটাই প্ৰত্যেকেই বেলেগ বেলেগ পুৰুষক বুজাইছে। ইয়াত পুৰুষ নিৰ্দেশক বিভক্তি -এৰা, -এৰ, আৰু -এক এইকেইটাই মোৰ, তুমি, তোৰ, তাৰ আদি পদৰ লগত সম্পৰ্ক স্থাপন কৰিছে।

কেতিয়াবা একোটা শব্দৰ লগত বেলেগ বেলেগ বিভক্তি লগ লগাই বাক্যৰ মাজত পদৰ সম্পৰ্ক স্থাপন কৰা হয় আৰু কাৰ্যগত অৰ্থৰ পৰিৱৰ্তন ঘটোৱা হয়। যেনে—

(১) বাঘে মাংস খায়।

(২) বাঘৰ মাংস খায়।

(৩) মই ৰামক কথা কৈ আছোঁ।

(৪) মই ৰামৰ কথা কৈ আছোঁ।

ওপৰৰ প্ৰথম আৰু দ্বিতীয় বাক্যত 'বাঘে' আৰু 'বাঘৰ' এই দুটা পদৰ বাহিৰে বাকী পদবোৰ একে; আনহাতে, তৃতীয় আৰু চতুৰ্থ বাক্যত 'ৰামক' আৰু 'ৰামৰ' এই পদ দুটাৰ বাহিৰে বাকী পদবোৰ একে। প্ৰত্যেক বাক্যৰ একোটা পদৰ ৰূপ ভিন্ন হোৱা কাৰণে অৰ্থৰো পৰিৱৰ্তন ঘটিছে। বক্তাই ক'ব খোজা কথাটো স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ পদৰ ৰূপগত যোগ্যতাৰ আৱশ্যক। ৰূপগত যোগ্যতাৰ অভাৱত কেতিয়াবা অশুদ্ধ ৰূপৰ বাক্য পোৱা যায়। যেনে — মই স্কুল যাম, তেওঁ গুৱাহাটীত গৈছে, হৰি ঘৰত যাব, সি আজি ভাত বনালে, আদি বহু ব্যাকৰণৰ দিশত অশুদ্ধ ৰূপ অসমীয়া ভাষাত বৰ্তমান শুনিবলৈ পোৱা যায়।

**(খ) আকাংক্ষা ঃ**

বাক্যৰ যোগেদি মনৰ ভাব প্ৰকাশ কৰিবলৈ লওঁতে বাক্যৰ মাজত অন্তৰ্নিহিত হৈ থকা আৱশ্যকীয় পদসমূহ ব্যৱহাৰ কৰিবলৈ বা উচ্চাৰণ কৰিবলৈ বক্তাৰ আকাংক্ষা জাগিব লাগিব। আকাংক্ষা পূৰণৰ বাবে কিছুমান দীঘলীয়া বাক্যৰ জৰিয়তে বক্তাই মনৰ ভাব ব্যক্ত কৰে আৰু কেতিয়াবা চুটি বাক্যৰ জৰিয়তে বা সংক্ষেপতে ভাব ব্যক্ত কৰে। দীঘলীয়া বাক্য বা চুটি বাক্যই হওক সম্পূৰ্ণ ভাব প্ৰকাশ কৰিবলৈ বাক্যটোও সম্পূৰ্ণ হ'ব লাগিব।

'মই ভাত খাই উঠি চিনেমা চাবলৈ যাম।'

ওপৰৰ বাক্যটোত 'মই ভাত খাই উঠি' অংশটি অসম্পূৰ্ণ, আধৰুৱা বাক্য। বক্তাৰ মনৰ ভাব ব্যক্ত কৰিবলৈ 'চিনেমা চাবলৈ যাম' এই অংশটিও ক'ব লাগিব, তেতিয়াহে বক্তাৰ ভাব সম্পূৰ্ণ হ'ব আৰু শ্ৰোতাইও বক্তাৰ মনৰ ভাব বুজি পাব। কোনো ভাব ব্যক্ত কৰিবলৈ বক্তাৰ আকাংক্ষা জাগিব লাগিব। আনহাতে বক্তাৰ মনৰ ভাব শুনিবলৈও শ্ৰোতাৰ আকাংক্ষা জাগিব লাগিব।

এটা সম্পূৰ্ণ ভাব প্ৰকাশক বাক্য গঠন কৰিবলৈ বাক্যত দুটা প্ৰধান উপাদানৰ আৱশ্যক। এটা হৈছে — বাক্য গঠনৰ বাবে উপযুক্ত অৰ্থ প্ৰকাশক পদৰ আৱশ্যক। আনটো হৈছে — সুৰ লহৰ। তলৰ বাক্যটি চোৱা হওক ঃ

"ৰাম ক'ৰপৰা আহিল মই নাজানো বুলি কৈছোৱেই, কিয় তুমি মোক বাৰে বাৰে সুধি আছা?"

ওপৰৰ বাক্যটোত অতি কমেও তিনিটামান স্বতন্ত্ৰ বাক্য সংযোগ হৈ আছে, বাক্যটো বিশ্লেষণ কৰিলে কৰ্তা আৰু ক্ৰিয়াপদৰো সুকীয়া সুকীয়া ৰূপ পোৱা যায়। যেনে —

(১) ৰাম ক'ৰপৰা আহিল?

(২) মই নাজানো।

(৩) তুমি মোক কিয় সুধি আছা?

ওপৰৰ তিনিটা বাক্য একেলগে সংযোগ হৈ আছে যদিও বক্তাই ব্যক্ত কৰোঁতে শ্ৰোতাৰ বুজিবলৈ কোনো অসুবিধা নহয়, যিহেতু বাক্যত ভিন্ন পদৰ ব্যৱহাৰ কৰা হৈছে যদিও বাক্যটো অৰ্থপূৰ্ণ কৰি তোলাত সহায় কৰিছে সুৰলহৰেহে। সুৰলহৰৰ বাবেই বক্তাই কোৱা কথাটো শ্ৰোতাৰ শুনাৰ আকাংক্ষা জাগিছে আৰু ভাব বুজি পোৱাত সহায় হৈছে।

(গ) আসক্তি ঃ

বাক্য একোটা কিছুমান অংগ বা পদৰ সমষ্টি। এই অংগসমূহক বাক্যত ব্যৱহাৰ কৰোঁতে মণি গঁথাৰ দৰে এটাৰ পিছত এটাকৈ গাঁথি থোৱা হয়। কোনটো পদৰ পিছত কোনটো পদ সংস্থাপন কৰিলে বিৰাম নোলোৱাকৈ বাক্যটো মাতিব পাৰি তালৈ লক্ষ্য কৰি পদসমূহক স্থাপন কৰা হয়। বাক্যত যেনেকৈ ব্যৱহৃত পদসমূহৰ অৰ্থগত যোগ্যতা আৰু ৰূপগত যোগ্যতা থাকে, ঠিক তেনেকৈ পদবোৰৰ মাজত পাৰস্পৰিক সংগতিও থাকিব লাগে। অৰ্থগত আৰু ৰূপগত সংগতি থকা পদসমূহক ওচৰা-উচৰিকৈ বাক্যত সংস্থাপন কৰা হয়। তেতিয়া বাক্যৰ অৰ্থ স্পষ্টকৈ বুজিব পাৰি। এনেদৰে ওচৰা-উচৰিকৈ সজোৱা পদসমূহক পৰস্পৰৰ আসন্ন অংগ (Immediate constituent) বুলি ধৰা হয়। বাক্যতত্ত্বৰ বিশ্লেষণত বাক্যত সংস্থাপন কৰা আসত্তিযুক্ত পদ অৰ্থাৎ আসন্ন অৰ্থসমূহৰ বিচাৰ কৰি বাক্যৰ প্ৰকৃত অৰ্থ নিৰূপণ কৰা হয়। তলৰ উদাহৰণ চোৱা যাওক —

(১) তেওঁ শিক্ষক।

(২) মানুহজন বৰ দুখীয়া।

(৩) ৰামে পকা আমটো খালে।

ওপৰৰ প্ৰথম বাক্যটোত দুটা পদ আছে। এই দুটা পদৰ অৰ্থগত আৰু ৰূপগত যোগ্যতা আছে, কাৰণ ইহঁতৰ প্ৰত্যেকৰে পদৰ মৰ্যাদাও আছে আৰু পৰস্পৰে আসন্ন অংগ। দ্বিতীয় বাক্যটোত তিনিটা পদ আছে। এই তিনিটা পদক দুটা অংগত বিভক্ত কৰিলে এনে হ'ব — 'মানুহজন' আৰু 'বৰ দুখীয়া'। 'বৰ দুখীয়া' অংগটোত দুটা পদ আছে। ইহঁত পৰস্পৰে আসন্ন অংগ। ইহঁতৰ অংগ বিচাৰ কৰিলে হ'ব —

মানুহজন বৰ দুখীয়া।

মানুহজন | বৰ দুখীয়া

| বৰ | দুখীয়া।

তৃতীয় বাক্যটোত চাৰিটা পদ আছে। ইয়াৰ অংগ বিচাৰ কৰিলে, প্ৰথম দুটা অংগত ভাগ কৰা হ'ব। 'ৰামে' এটা অংগ আৰু 'পকা আমটো খালে' আন এটা

অংগ। দ্বিতীয় অগংটোত তিনিটা পদ আছে। এই অংগটো পুনৰ বিভাজন কৰিলে হ'ব — 'পকা আমটো' আৰু 'খালে' — দুটা অংগ। ইয়াত 'পকা আমটো' এই দুটা পদ পৰস্পৰে পৰস্পৰৰ অংগ আৰু এই দুটা পদৰ লগত 'খালে' ক্ৰিয়াপদৰ সম্পৰ্ক আছে। বাক্যটো অংগ বিচাৰ তলত দিয়া ধৰণেৰে কৰিব পাৰি —

ৰামে পকা আমটো খালে।

ৰামে | পকা আমটো খালে।

পকা আমটো | খালে।

পকা | আমটো।

আসত্তি বিচাৰৰ জৰিয়তে দীঘলীয়া বাক্যৰ গঠন শুদ্ধ হৈছেনে নাই বিচাৰ কৰিব পাৰি। তলৰ বাক্যটি বিশ্লেষণ কৰিলে আসন্ন অংগবোৰ হ'ব —

শিক্ষকে ছাত্ৰক তেওঁলোকৰ দৈনন্দিন পাঠ আদি মনোযোগেৰে পঢ়ুৱায়।

শিক্ষকে | ছাত্ৰক তেওঁলোকৰ দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

ছাত্ৰক | তেওঁলোকৰ দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

তেওঁলোকৰ দৈনন্দিন পাঠ | অতি মনোযোগেৰে পঢ়ুৱায়।

দৈনন্দিন | পাঠ | অতি মনোযোগেৰে পঢ়ুৱায়।

অতি মনোযোগেৰে | পঢ়ুৱায়

অতি | মনোযোগেৰে।

ওপৰৰ বাক্যটোত ব্যৱহৃত শব্দ, শব্দবোৰৰ নিৰ্দিষ্ট ক্ৰম আৰু প্ৰতিটো শব্দৰ আসক্তি বিচাৰৰদ্বাৰা বাক্যৰ গঠন প্ৰণালী আৰু বাক্যৰ সম্পূৰ্ণ অৰ্থ বুজিব পাৰি।